অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ৫৩৯

উত্তৰ দানৰ তাৰিখ : ২৪-০৭-২০২৬

*বিষয়* : কৰ্ম আঁচনি / প্ৰধানমন্ত্ৰী ফচল বীমা

শ্ৰীতাঞ্জিল হুছেইন, বিধায়ক :

মাননীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ জলবায়ুৰ পৰিৱৰ্ত্তনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিগত পাঁচটা বিত্তীয় বৰ্ষত 'কৰ্ম' আঁচনিৰ ধন কিমান পোৱা হ'ল ?

(খ) এই 'কৰ্ম' আঁচনিখন অসমত কেনে ধৰণে ৰূপায়িত কৰা হৈছে ?

(গ) অসমৰ কিমানখন জিলাক খৰাং দুৰ্যোগৰ দ্বাৰা পীড়িত বুলি ঘোষণা কৰা হৈছে ? (জিলা সমূহৰ নাম সদনত দাখিল কৰিব) ।

(ঘ) 'প্ৰধানমন্ত্ৰী ফচল বীমা' আঁচনিৰ অধীনত খৰাং পীড়িত কৃষকক উপযুক্ত ক্ষতিপূৰণ দিয়া হৈছেনে ? যদি দিয়া হৈছে, কিমান কৃষকক ক্ষতিপূৰণ দিয়া হৈছে ? (জিলাভিত্তিক তালিকা আৰু ক্ষতিপূৰণৰ পৰিমাণ বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :

(ক) অসমৰ জলবায়ুৰ পৰিৱৰ্তনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে বিগত পাঁচটা বিত্তীয় বৰ্ষত 'কৰ্ম' আঁচনিৰ কোনো ধন পোৱা নাই। অৱশ্যে অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে ৰাজ্যিক জলবায়ু পৰিবৰ্তন কাৰ্যকৰী পৰিকল্পনা (Assam State Action Plan on Climate Change, Version 2.0, 2021-2030) খন প্ৰস্তুত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা ২০ লাখ টকা লাভ কৰিছিল। জলবায়ু পৰিৱৰ্তন প্ৰশমন আৰু ইয়াৰ সৈতে অভিযোজন কৰাৰ বাবে অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিয়ে/ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিগত পাঁচটা বিত্তীয় বৰ্ষত আৱণ্টন হোৱা পুঁজিৰ তথ্য তলত উল্লেখ কৰা হৈছে:

| ক্ৰমিক নং | পদক্ষেপ | পুঁজি (in Rs.) |
|---|---|---|
| ১ | NAFCC project titled "Management of Ecosystem of Kaziranga National Park by Creating Climate Resilient Livelihood for Vulnerable Communities through Organic Farming and Pond Based Pisciculture in Kaziranga National Park, Assam" | ২৪,৫৬,৬৫,৩০০/- |
| ২ | DST, Govt. of India project titled "Assam Climate Change Management Society - its establishment/strengthening and maintenance" | ২,২৯,৬২,১৮০/- |
| ৩ | State of the Environment (SoER) Report | ৪০,০৯,৪৬১/-<br>এই আৱন্তিত ধনৰ ৪০% অৰ্থাত ১৬,০৩,৭৮৪/- বৰ্তমানৰ লৈকে লাভ কৰা গৈছে। |

ক্ৰমশ.....পৃ/২

(খ) অসম জলবায়ু পৰিৱৰ্তন ব্যবস্থাপনা সমিতিখনে ভাৰতৰ ৰাষ্ট্ৰীয়ভাবে নিৰ্ধাৰিত সংকল্প (Nationally Determined Commiments), বহনক্ষম উন্নয়ন লক্ষ্য (Sustainable Development Goals) আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰাধান্যতা প্ৰদান কৰা বিষয়সমূহক সাঙুৰি অসমৰ ৰাজ্যিক জলবায়ু পৰিবৰ্তন কাৰ্যকৰী পৰিকল্পনা (Assam State Action Plan on Climate Change, Version 2.0, 2021-2030) খনক ২০২১-২০৩০ বৰ্ষৰ বাবে সংশোধিত ৰূপত প্ৰস্তুত কৰিছে । সংশোধিত পৰিকল্পনাখনত কৃষি আৰু সংলগ্ন খণ্ড, শক্তি, জলসম্পদ, অৰণ্য আৰু জৈৱবৈচিত্ৰ, স্বাস্থ্য, নগৰীয়া আৰু গাঁৱলীয়া আৱাস, দুৰ্যোগ প্ৰশমন আৰু পৰিকল্পিত শিক্ষা ক্ষেত্ৰক অন্তৰ্ভুক্ত কৰা হৈছে । উপৰোক্ত ক্ষেত্ৰসমূহত জলবায়ু পৰিৱৰ্তন,প্ৰশমন আৰু ইয়াৰ সৈতে অভিযোজন কৰাৰ বাবে সৰ্বমুঠ ৩৬ টা কৌশল অনুযায়ী ২১১ টা কৰ্ম আঁচনি সন্নিৱিষ্ট কৰা হৈছে। সংশ্লিষ্ট বিভাগসমূহে ৪৩ জন নোডেল বিষয়াৰ মাধ্যমেৰে এই আঁচনিসমূহৰ ৰূপায়ণ আৰু নিয়মীয়া নিৰীক্ষণ কৰি আছে।

ইয়াৰ উপৰিও, এই ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ পৰা সংগ্ৰহ কৰা তথ্য সংলগ্ন 'ক' ত দেখুওৱা হ'ল ।

(গ) এই ক্ষেত্ৰত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা সংগ্ৰহ কৰা তথ্য সংলগ্ন 'খ' ত আৰু কৃষি বিভাগৰ পৰা সংগ্ৰহ কৰা তথ্য সংলগ্ন 'গ' ত দেখুওৱা হ'ল ।

(ঘ) এই ক্ষেত্ৰত কৃষি বিভাগৰ পৰা সংগ্ৰহ কৰা তথ্য সংলগ্ন 'গ' ত দেখুওৱা হ'ল ।

বি.দ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল ।

****

**Assembly Matter**

অ০লগ্ন-'ক'

GOVERNMENT OF ASSAM
SCIENCE & TECHNOLOGY DEPARTMENT
BLOCK D, 4th FLOOR, JANATA BHAWAN
DISPUR::GUWAHATI-6
(stccassam21@gmail.com)

No. STE.12.2026/18 Dated, Dispur 22nd July 2026

From : The Deputy Secretary to the Govt. of Assam
Science & Technology Department
Dispur, Guwahati-6

To The Joint Secretary to the Govt. of Assam
Environment, Forest & Climate Change Department
Dispur, Guwahati -06

Sub : **Regarding submission of Assembly Questions**

Ref : (1) Your Deptt's Letter no. E-817431/4 dated 17th July, 2026
(2) E-817431/11 dated 20th July, 2026

Sir,

In inviting a reference to the subject and the letter cited above, I am directed to enclose herewith the required information pertaining to Science & Technology Department in connection with replies to the following Assembly Question Provisional Stared Assembly Question Dy. No. 20, to be asked by Tanzil Hussain, Hon'ble MLA regarding Karma Scheme Pradhan Mantri Fasal Bima Yojana for sitting on 24.07.2026 in the ensuing Budget Session of Assam Legislative Assembly, 2026.

Enclo: As stated above.

Yours faithfully,

22/7/26

Deputy Secretary to the Govt. of Assam
Science & Technology Department

Memo No. STE.12.2026/18-A Dated, Dispur 22nd July 2026

1. P.S. to Hon'ble Minister, Science & Technology, Assam for kind information of Hon'ble Minister
2. P.A. to Secretary to the Govt. of Assam, Science & Technology Department for kind information of Secretary.

By order etc.,

Deputy Secretary to the Govt. of Assam
Science & Technology Department

# অসম বিধানসভাৰ প্ৰশ্নোত্তৰ ২০২৬

তৰাযুক্ত প্ৰশ্ন নং – ২০

উত্তৰ দিয়াৰ তাৰিখ - ২৪/০৭/২০২৬

**বিষয়ঃ** কৰ্ম আঁচনি / প্ৰধানমন্ত্ৰী ফসল বীমা।

**বিধায়কঃ** শ্ৰী তাঞ্জিল হুছেইন।

## প্ৰশ্ন

**(ক)** অসমৰ জলবায়ু পৰিৱৰ্তনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিগত পাঁচটা বিত্তীয় বৰ্ষত 'কৰ্ম' আঁচনিৰ ধন কিমান পোৱা হ'ল?

**(খ)** এই 'কৰ্ম' আঁচনিখন অসমত কেনে ধৰণে ৰূপায়িত কৰা হৈছে?

**(গ)** অসমৰ কিমানখন জিলাক খৰাং দুৰ্যোগৰ দ্বাৰা পীড়িত বুলি ঘোষণা কৰা হৈছে? (জিলা সমূহৰ নাম সদনত দাখিল কৰিব) ।

**(ঘ)** "প্ৰধানমন্ত্ৰী ফসল বীমা" আঁচনিৰ অধীনত খৰাং পীড়িত কৃষকক উপযুক্ত ক্ষতিপূৰণ দিয়া হৈছেনে? যদি দিয়া হৈছে, কিমান কৃষকক ক্ষতিপূৰণ দিয়া হৈছে? (জিলা ভিত্তিক তালিকা আৰু ক্ষতিপূৰণৰ পৰিমাণ বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

## উত্তৰ

**ক)** অসম জলবায়ু পৰিৱৰ্তন কাৰ্য্য পৰিকল্পনা (Assam State Action Plan on Climate Change - ASAPCC-2) প্ৰস্তুতি দায়িত্ব অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিক প্ৰদান কৰা হৈছে। সেয়েহে এই সন্দৰ্ভত প্ৰয়োজনীয় তথ্য অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ (ASTEC)ৰ ওচৰত উপলব্ধ নহয়।

**খ)** অসম ৰাজ্যিক জলবায়ু পৰিৱৰ্তন কাৰ্য্য পৰিকল্পনা (Assam State Action Plan on Climate Change – Version 2.0, 2021–2030) ত অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ (ASTEC)ক কৌশলগত জ্ঞান ব্যৱস্থাপনা (Strategic Knowledge Management) খণ্ডৰ ৰূপায়ণৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছে। সেই অনুসৰি, অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ (ASTEC)ৰ জলবায়ু কোষে নিম্নলিখিত ব্যৱস্থা/কাৰ্য পন্থা সমূহ গ্ৰহণ কৰিছে:

1. ‘অসম জলবায়ু পৰিৱৰ্তন জ্ঞান পোৰ্টেল’ (Assam Climate Change Knowledge Portal) *accms.org.in* প্ৰস্তুত কৰি কাৰ্যক্ষম কৰি তুলিছে।

2. জলবায়ু পৰিৱৰ্তনৰ বিকল্প প্ৰভাৱসমূহৰ বিষয়ে ৰাইজক সচেতন কৰাৰ লগতে তেওঁলোকৰ ইয়াৰ সতে মোকাবিলা কৰিবলৈ সক্ষম কৰি তোলাৰ উদ্দেশ্যে, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদে অসমৰ বিভাগীয় বিষয়াবৰ্গৰ লগতে বিদ্যালয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজৰ মাজত কৰ্মশালা তথা সজাগতা সভা অনুষ্ঠিত কৰিছে। চলতি বৰ্ষত অসমৰ অনুসূচিত জনজাতি (ST) আৰু অনুসূচিত জাতি (SC) পৰিষদৰ সদস্যসকলৰ বাবে এক সক্ষমতা বিকাশ (Capacity Building) কাৰ্যসূচী আয়োজন কৰা হৈছে।
3. ইয়াৰ উপৰিও, জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় সজাগতা বৃদ্ধি আৰু জনসচেতনতা গঢ়ি তোলাৰ উদ্দেশ্যে তথ্য, শিক্ষা আৰু যোগাযোগ (IEC) সামগ্ৰী প্ৰস্তুত আৰু প্ৰচাৰ জলবায়ু কোষৰ এক অন্যতম গুৰুত্বপূৰ্ণ পদক্ষেপ।

**গ)** বিতং তথ্য অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ ওচৰত তথ্য উপলব্ধ নহয়।

**ঘ)** উক্ত বিষয়টো অসম বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদ (ASTEC)ৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

উপ সচিব
বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ, অসম চৰকাৰৰ
দিছপুৰ, গুৱাহাটী-৬

সংলগ্ন- 'খ'

**GOVERNMENT OF ASSAM**
**REVENUE & DISASTER MANAGEMENT DEPARTMENT**
**(DISASTER MANAGEMENT BRANCH)**
**DISPUR, GUWAHATI – 6**

eCF No. 817748/5 Dtd. Dispur, the .... July, 2026

From : Shri Pankaj Chamuah, ACS
Deputy Secretary to the Govt. of Assam,
Revenue & Disaster Management (DM) Department

To : The Joint Secretary to the Govt. of Assam,
Environment, Forest & Climate Change Department

Sub : Provisional Starred Assembly Question Dy No. 20 to be asked by Shri Tanzil Hussain, Hon'ble MLA.

Ref : Your Letter No.E-817431/4 Dated 17-07-2026

Sir,

With reference to your previous letter cited above, I am directed to furnish herewith the reply for the relevant points relating to this Department regarding Provisional Starred Assembly Question Dy No. 20 to be asked by Shri Tanzil Hussain, Hon'ble MLA, for favour of your kind perusal and further needful:

**(গ) No district of Assam has been Notified as Drought affected by Revenue & Disaster Management Department in the current FY.**

**Yours faithfully,**

Digitally signed by
PANKAJ CHAMUAH
Date: 21-07-2026
19:24:35
**Deputy Secretary to the Govt. of Assam,**
**Revenue & Disaster Management (DM) Department**

Memo eCF No. 817748/5-A Dtd. Dispur, the .... July, 2026
Copy for kind information to:

- PS to the Addl. Chief Secretary to the Govt. of Assam, Revenue & Disaster Management Department.

অং-আন্ম (ম)

ASSEMBLY MATTER

GOVERNMENT OF ASSAM
DEPARTMENT OF AGRICULTURE
JANATA BHAWAN, Block-E, 1st Floor, DISPUR, GUWAHATI-06
e-mail : agriculturedepartmentassam@gmail.com

**No. AGA(AQ) 50/2026/6** **Dated Dispur, the 22nd July, 2026**

From : Shri Gunajeet Kashyap, ACS
Additional Secretary to the Govt. of Assam,
Agriculture Department, Dispur, Guwahati-06.

To : The Joint Secretary to the Govt. of Assam,
Environment, Forest & Climate Change Department,
Dispur, Guwahati-06.

Sub : Furnishing of Reply to the Provisional Starred Assembly Question Dy. No. 20 to be asked by Shri Tanzil Hussain, Hon'ble M.L.A.- Reg.

Sir,

In inviting a reference to the subject cited above, I am directed to enclose herewith the reply to the Provisional Starred Assembly Question Dy. No. 20 to be asked by Shri Tanzil Hussain, Hon'ble M.L.A., which will be up for answer on 24-07-2026.

Enclo: As stated above.

Yours faithfully,

Gkashyap

Additional Secretary to the Govt. of Assam,
Agriculture Department

**Memo No. AGA(AQ) 50/2026/6-A** **Dated Dispur, the 22nd July, 2026**

Copy to:

P.S. to the Commissioner & Secretary to the Govt. of Assam, Agriculture Department-cum-APC, Assam for kind apprisal of the Commissioner & Secretary-cum-APC.

By order etc.

Gkashyap

Additional Secretary to the Govt. of Assam,
Agriculture Department

PM
22/7/26

অসম বিধান সভা

Dy No : ২০

উত্তৰ দানৰ তাৰিখ : ২৪/০৭/ ২০২৬

বিভাগ: বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন

*বিষয়ঃ* **কৰ্ম আঁচনি / প্ৰধানমন্ত্ৰী ফচল বীমা।**

বিধায়কৰ নাম : শ্ৰী তানজিল হুছেইন

মাননীয় বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত জলবায়ুৰ পৰিৱৰ্তনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিগত পাঁচটা বিত্তীয় বৰ্ষত 'কৰ্ম' আঁচনিৰ ধন কিমান পোৱা হ'ল?

(খ) এই 'কৰ্ম' আঁচনিখন অসমত কেনে ধৰণে ৰূপায়িত কৰা হৈছে?

(গ) অসমৰ কিমানখন জিলাক খৰাং দুৰ্যোগৰ দ্বাৰা পীড়িত বুলি ঘোষণা কৰা হৈছে? (জিলা সমূহৰ নাম সদনত দাখিল কৰিব) ।

(ঘ) "প্ৰধানমন্ত্ৰী ফচল বীমা" আঁচনিৰ অধীনত খৰাং পীড়িত কৃষকক উপযুক্ত ক্ষতিপূৰ্ণ দিয়া হৈছেনে? যদি দিয়া হৈছে, কিমান কৃষকক ক্ষতিপূৰণ দিয়া হৈছে ?

(জিলা ভিত্তিক তালিকা আৰু ক্ষতিপূৰ্ণৰ পৰিমাণ বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

<u>উত্তৰ</u>

মাননীয় বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব ।

(ক) বিষয়টো কৃষি বিভাগৰ অধীনত নহয় ।

(খ) প্ৰযোজ্য নহয় ।

(গ) আজিৰ তাৰিখলৈকে কোনো জিলাতে আনুষ্ঠানিকভাৱে খৰাং ঘোষণা কৰা হোৱা নাই । অৱশ্যে, চাৰিখন জিলাই খৰাং-সদৃশ পৰিস্থিতিৰ প্ৰতিবেদন দাখিল কৰিছে, য'ত মুখ্যতঃ ধানৰ কঠিয়াতলী ক্ষতিগ্ৰস্থ হৈছে । অপৰ্য্যাপ্ত বৰষুণ আৰু পানীৰ অভাৱৰ বাবে কৃষকসকলে কঠিয়াতলীৰ পৰা মূল পথাৰলৈ কঠিয়া ৰোপণ কৰিব পৰা নাই ।

| Sl. No. | Name of District | Sali Seedling(Ha) | Transplanted Paddy (Ha) | Total Area(Ha) | No. of Farm Family(No) |
|---|---|---|---|---|---|
| 1. | Golaghat | 3465 | - | 3465 | 48917 |
| 2. | Morigaon | 230 | - | 230 | 350 |
| 3. | West Karbi/ Anglong | 150 | - | 150 | 700 |
| 4. | Karbi Anglong | 756 | 3 | 758 | 3945 |
| | | | **Total =** | **4603** | **53912** |

(ঘ) চৰকাৰীভাৱে এতিয়ালৈ খৰাং ঘোষণা কৰা হোৱা নাই কাৰণে "প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা" আঁচনিৰ চৰ্তাৱলী মতে খৰাং পীড়িত কৃষক বুলি ক্ষতিপূৰণ দিব পৰা হোৱা নাই।

*************